


জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

২২ জুলাই, ২০২০ বুধবাৰ গুৱাহাটী ৬ শাওন ১৯৪২ শক




## অবৈধ খনন বন্ধ কৰাৰ দাবীত বন বিভাগৰ বিৰুদ্ধে নৈৰ পাৰত প্ৰতিবাদ মুখৰ ৰাইজ

### পুঠিমাৰীৰ গৰাখহনীয়াই ত্ৰিশখনকৈ গাঁওলৈ আনিলে তীব্ৰ ভাবুকি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২১ জুলাই ঃ** পুঠিমাৰী নৈৰ বালি মহলত চলি থকা অবৈধ খনন কাৰ্যৰ বাবে তামুলপুৰ মহকুমাৰ বিভিন্ন ঠাইত নৈখনে সৃষ্টি কৰিছে তীব্ৰ গৰাখহনীয়াৰ। বিগত বছৰ সমূহত চলি থকা অবৈধ খননে নৈখনৰ পশ্চিম দিশে তীব্ৰ গৰাখহনীয়াৰ সৃষ্টি কৰাৰ ফলত বাক্সা জিলাৰ তামুলপুৰ মহকুমাৰ পূব-কচুকাটা, গান্ধীবাৰী, উত্তৰ গান্ধীবাৰী, দক্ষিণ গন্ধীবাৰী, জোকমাৰী, শিমলুবাৰী, শিজুগুৰি, ঢেঁকিপোটা আদি গাওঁলৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। তামুলপুৰৰ বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ পৃষ্ঠপোষকতাত পুঠিমাৰী নদীৰ বালি মহলত দীৰ্ঘদিন ধৰি চলি থকা অবৈধ খনন কাৰ্যৰ বাবেই এই গৰাখহনীয়াৰ সৃষ্টি হোৱা বুলি ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। স্থানীয় ৰাইজে অভিযোগ কৰা মতে এই বছৰ গৰাখহনীয়াৰ কবলত পৰি শ শ বিঘা কৃষিভূমি নদীৰ বুকুত জাহ গৈছে। আজি অঞ্চলটোৰ শতাধিক ৰাইজে ঢেঁকিপোটাত পুঠিমাৰী নৈৰ পাৰত উপস্থিত হৈ পুঠিমাৰী বালি মহলত চলি থকা অবৈধ খনন বন্ধৰ দাবীত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ন কৰে। বন বিভাগ, ৰাজনৈতিক নেতা-পালি নেতাৰ ছত্ৰ ছায়াত বন বিভাগৰ নীতি নিয়মক বৃদ্ধাঙুষ্ঠ প্ৰদৰ্শন কৰি পুঠিমাৰী নৈৰ পাৰত জেচিবি, ফকলেন আদিৰে অবৈধভাৱে খনন কাৰ্য চলাই থকাৰ বাবেই পুঠিমাৰী নৈৰ পানীৰ সোঁতে পশ্চিম দিশলৈ গতি পথ সলাইছে আৰু গৰাখহনীয়াই তীব্ৰতৰ ৰূপ ধাৰণ কৰি নৈপৰীয়া গাঁও সমূহলৈ ভাবুকি কঢ়িয়াই অনা বুলি ৰাইজে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আজি তামুলপুৰ মহকুমাৰ ঢেঁকিপোটাত পুঠিমাৰী নৈৰ পাৰত শতাধিক ক্ষতিগ্ৰস্ত ৰাইজ উপস্থিত হৈ পুঠিমাৰী নৈত অবৈধ খনন বন্ধ কৰক, অসম চৰকাৰ হাই হাই, বন বিভাগ হাই হাই, জলসম্পদ বিভাগ হাই হাই, গৰাখহনীয়া ৰোধ কৰক, বন বিভাগ লেই লেই ছেই ছেই, তামুলপুৰৰ বন বিভাগৰ দুৰ্নীতি বন্ধ কৰক আদি শ্লোগান দি ঢেঁকীপোটাত পুঠিমাৰী নৈৰ পাৰ উত্তাল কৰি তোলে। অনতি পলমে পুঠিমাৰী নৈত জেচিবি, ফকলেনেৰে কৰি থকা অবৈধ খনন বন্ধ নকৰিলে চৰকাৰ আৰু বন বিভাগৰ বিৰুদ্ধে ৰাইজে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি আজি হুংকাৰ দিছে।

## শোণিতপুৰত গাহৰি মাংস বিক্ৰী আৰু সৰবৰাহৰ ক্ষেত্ৰত নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২১ জুলাই ঃ** অসম চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ প্ৰধান সচিবৰ পৰা পোৱা নিৰ্দেশৰ ভিত্তিত শোণিতপুৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ ৰোহন ঝাই ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত জিলাখনৰ কোনো কোনো অঞ্চলত চোৰাইন জ্বৰত আক্ৰান্ত হৈ মৃত্যু হোৱা গাহৰি যাতে অধিক ভয়াবহ ৰূপ লব নোৱাৰে তাৰ প্ৰতিৰোধ কল্পে কিছু নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি এতিয়াৰে পৰা সমগ্ৰ জিলাখনত গাহৰিৰ সৰবৰাহ, ব্যক্তিগত ভাৱে গাহৰি ইঠাইৰ পৰা সিঠাইলৈ কঢ়িওৱা সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে। তদুপৰি গাহৰি বধ কৰা বা বিক্ৰী কৰা, গাহৰি মাংসৰ আন্তঃজিলা সৰবৰাহ, গাহৰিৰ মুক্ত বিচৰণ তথা অন্য ঘৰচীয়া গাহৰিৰ সংস্পৰ্শলৈ অহা, মৃত গাহৰি বিক্ৰী সম্পূৰ্ণৰূপে নিষেদ্ধ কৰিছে। ইয়াৰউপৰি মৃত গাহৰি পেলাই দিয়াৰ পৰিবৰ্ত্তে জৈৱিক সুৰক্ষা পদ্ধতি অৱলম্বন কৰি গভীৰ গাট খান্দিহে পুটিবলৈ নিৰ্দেশত উল্লেখ কৰিছে। মৃত গাহৰি সমূহ মুকলি ঠাইত তথা নদী বা নদীৰ দাঁতিত পেলোৱা সম্পূৰ্ণৰূপে বন্ধ কৰিছে। লগতে গাহৰিৰ খাদ্য ইখন ফাৰ্মৰ পৰা সিখন ফাৰ্মলৈ সৰবৰাহ তথা বিতৰণ কৰাও সম্পূৰ্ণৰূপে নিষিদ্ধ কৰিছে। এই ক্ষেত্ৰত গাহৰি পালক সকলে তেওঁলোকৰ নিজৰ ফাৰ্মৰ বাবে গাহৰিৰ খাদ্য তথা দানা আদি নিৰ্দিষ্ট দোকান আৰু অনুমোদিত ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা ক্ৰয় কৰিব পাৰিব। যদি কোনো গাহৰিৰ উচ্চ জ্বৰ তথা যিকোনো অসাধাৰণ কাৰণত মৃত্যু প্ৰত্যক্ষ কৰে তেন্তে গৰাকীয়ে অনতিপলমে জিলা পশু চিকিৎসালয় বা স্থানীয় প্ৰশাসনক অবগত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তদুপৰি সংশ্লিষ্ট বিভাগক ফাৰ্ম সমূহ পৰ্যবেক্ষণৰ লগতে জৈৱিক সুৰক্ষা সন্দৰ্ভত নিয়মীয়াভাৱে পৰিষ্কাৰকৰণ কৰিবলৈ নিৰ্দেশত উল্লেখ কৰে। ৰাজহুৱা শান্তি সৃংখলা অতুত ৰখাৰ স্বাৰ্থত তৎকালিন ভাৱে জাৰি কৰা এই নিষেধাজ্ঞা সমগ্ৰ জিলাখনত পুনৰ আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব। কোনো লোকে এই আদেশ অমান্য কৰিলে ভাৰতীয় ফৌজদাৰী আইনৰ ১৮৮ ধাৰাৰ অধীনত কঠোৰ শাস্তি প্ৰদান কৰা হ'ব।


শুধৰণি-পত্ৰ নং- ০২

নিবিদা জাননী নং: কন/২০২০/মে'/৭৬। নিবিদা নং. চিই/কন/ডি-এইচ/বিএলজি/২০২০/০২ৰ বাবে শুধৰণি-পত্ৰ নং.২ৰ বিস্তৃত বিৱৰণ www.ireps.gov.in ত উপলব্ধ হ'ব।

মুখ্য অভিযন্তা/কন-1, মালিগাঁও

উত্তৰ পূব সীমান্ত ৰেলৱে

(নিৰ্মাণ সংস্থা)

হাঁহিমুখে গ্ৰাহকৰ সেৱা



**এলাইটকন ইন্টাৰনেচনেল লিমিটেড**

(পূৰ্বৰ কাশিৰাম জৈন এণ্ড কোম্পানী লিমিটেড)

পঃকাঃ লাচিত নগৰ, এছআৰবি ৰোড

গুৱাহাটী-৭৮১০০৭, অসম

চিআইএন ঃ এল ৭০১০০ এএছ ১৯৮৭ পিএলচি ০০২৮২৮

ফোন ঃ ৯৭৪৮২৬১৮৬৭

ই-মেইল ঃ kjcl002828@yahoo.co.in

ৱেবছাইট ঃ www.kashiram.co.in

**জাননী**

এই জাননীৰ জৰিয়তে অৱগত কৰা হয় যে ছেবি (লিষ্টিং অব্লিগেচনছ এণ্ড ডিচক্লজাৰ ৰিকুৱায়াৰমেনছ) ৰেগুলেচনছ, ২০১৫, বিধি নং ৪৭, পঢ়ি উঠি ২৯ আৰু ৩৩ অনুসৰি, অহা ৩১ জুলাই, ২০২০ তাৰিখে, শুকুৰবাৰে এলাইটকন ইন্টাৰনেচনেল লিমিটেডৰ সঞ্চালক মণ্ডলীৰ এখন বৈঠক আহ্বান কৰা হৈছে তলৰ বিষয়কেইটাৰ বিবেচনাৰ্থেঃ

১। অডিটেড ষ্টেণ্ডালোন বিত্তীয় ফলাফলসমূহ

২। অধ্যক্ষৰ অনুমতি সাপেক্ষে অন্য ব্যৱসায়

এই সম্পৰ্কত সবিশেষ তথ্য উপলব্ধ আছে কোম্পানীৰ ৱেবছাইট www.kashiram.co.in আৰু বিএছই লিমিটেডৰ ৱেবছাইট http:/www.bseindia.com আৰু কলকাতা ষ্টক এক্সেঞ্জ লিমিটেডৰ ৱেবছাইট www.cse-india.com ত।

এলাইটকন ইন্টাৰনেচনেল লিমিটেডৰ হৈ

স্বাক্ষৰ

পেটেল অক্ষয়কুমাৰ দীনেশকুমাৰ

মেনেজিং ডাইৰেক্টৰ আৰু চিএফঅ'

তাৰিখ ঃ জুলাই ২১, ২০২০ ডিআইএন ঃ ০৮০৮০০৮০

স্থান ঃ গুৱাহাটী


## গৌৰীপুৰত কংগ্ৰেছ, বিপিএফৰ সক্ৰিয় কৰ্মীৰ এ আই ইউ ডি এফ দলত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২১ জুলাই ঃ** আগন্তুক বিধানসভা নিৰ্বাচনৰ বাবে মাজত মাত্ৰ কেইটামান মাহ বাকী থকাৰ সময়তে বিভিন্ন ৰাজনৈতিক দলৰ নেতা কৰ্মীয়ে দল বাগৰা আৰম্ভ কৰা পৰিলক্ষিত হৈছে। ঘটনাৰ বিৱৰণী মতে, ২০২১ চনৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছ আৰু এআইইউডিএফ দলে আসন বুজাবুজিৰ মাধ্যমেৰে মিত্ৰতা স্থাপন কৰিবলৈ লোৱা প্ৰচেষ্টাৰ ফলত এচাম দলীয় নেতাকৰ্মীয়ে জয়লাভৰ সম্ভাৱনা থকা দল লৈ ঢাপলি মেলিব লৈ আৰম্ভ কৰিছে। উল্লেখ্য যে ২৪ নং গৌৰীপুৰ বিধানসভা সমষ্টিত কংগ্ৰেছ দলে বিগত প্ৰায় পঁচিশ বছৰ ধৰি সমষ্টিখনত জয়লাভ কৰাৰ মুখ দেখিবলৈ সক্ষম নোহোৱাত আৰু এ আই ইউ ডি এফ দলৰ লগত মিত্ৰতা স্থাপন কৰাৰ বাবে উত্তৰ গেৰামাৰী গাঁও পঞ্চায়তৰ এলেকাধীন গেৰামাৰী প্ৰথম খণ্ড গাঁৱৰ স্থায়ী বাসিন্দা তথা কংগ্ৰেছৰ প্ৰাক্তন বুথ সভাপতি মোঃ মোগৰব আলী, শিলাইৰপাৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত শ্যামচৰনেৰকুটি তৃতীয় খণ্ড গাঁৱৰ কংগ্ৰেছৰ বুথ সভাপতি নুৰ ইছলাম আৰু আশাৰিকান্দী গাওঁ পঞ্চায়তৰ ঘ্যাগেৰ আলগা দ্বিতীয় খণ্ড গাঁৱৰ স্থায়ী বাসিন্দা তথা বি পি এফ কৰ্মী সাহাদ আলীয়ে স্বইচ্ছাই এ আই ইউ ডি এফ দলৰ বিধায়ক নিজানুৰ ৰহমানৰ বাসভৱনত বিধায়কজনৰ হাত ধৰি এ আই ইউ ডি এফ দলত আনুষ্ঠানিক ভাৱে যোগদান কৰে। উক্ত ব্যক্তি তিনিজনক বিধায়ক নিজানুৰ ৰহমানে ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। স্মৰ্তব্য যে গৌৰীপুৰ সমষ্টিত বি পি এফ দলটো নিশকতীয়া হৈ পৰাৰ বাবে আৰু কংগ্ৰেছ দল এ আই ইউ ডি এফ দলৰ লগত মিত্ৰতা হোৱাৰ সম্ভাৱনা অধিক বুলি অনুমান কৰি গৰাখহনীয়াৰ দৰে খহি খহি আহি এ আই ইউ ডি এফ দলত যোগদান কৰা ঘটনাই সমষ্টি খনৰ অন্যান্য ৰাজনৈতিক দলৰ নেতা কৰ্মীয়ে শংকিত হৈ পৰা পৰিলক্ষিত হৈছে।

## তেজপুৰ বিশ্ববিদ্যালয়ৰ কেইগৰাকীমান মেধাৱী ছাত্ৰ-ছাত্ৰীৰ পদক্ষেপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২১ জুলাই ঃ** সাম্প্ৰতিক দেশজুৰি তথা ৰাজ্যজুৰি চলি থকা কৰ'ণা মহামাৰীৰ আতংকময় পৰিৱেশৰ ফলশ্ৰুতিত সকলোতে এক অনিশ্চয়তাৰ বাতাবৰণ বিৰাজ কৰিছে। বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় সকলোতে শিক্ষাৰ ক্ষেত্ৰত এক স্থবিৰতা আহি পৰাৰ ফলত বহুতে অনলাইন মাধ্যমেৰে শিক্ষাগ্ৰহণত মনোনিৱেশ কৰিব লগীয়া হৈছে। তাৰ বিপৰীতে তেজপুৰ বিশ্ববিদ্যালয়ৰ এচাম মেধাৱী ছাত্ৰ ছাত্ৰীয়ে তেওঁলোকৰ অনুজ শিক্ষাৰ্থীৰ কাৰণে এক মহান স্বেচ্ছামূলক সেৱা আগবঢ়োৱাৰ আঁচনি হাতত লৈছে। তাৰেই এক উদাহৰণ তেজপুৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰী শ্ৰেয়া বৰঠাকুৰ, যি ইতিমধ্যে বিগত বৰ্ষত বিভিন্ন নামজ্বলা প্ৰতিষ্ঠানত বিজ্ঞানত স্নাতক, ইঞ্জিনিয়াৰিং আৰু মেডিকেল পাঠ্যক্ৰমত নামভৰ্তি কৰি ভাৰতৰ ভিন্ন প্ৰান্তত শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰী আৰু প্ৰজ্ঞা একাডেমীৰ কিছু সংখ্যক শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগত এক ব্যতিক্ৰমী প্ৰচেষ্টা হাতত লৈছে। তেওঁলোকে বৰ্তমান পৰিস্থিতিত শিক্ষাৰ্থীসকল, বিশেষকৈ ইঞ্জিনিয়াৰিং-মেডিকেল বিভাগত নামভৰ্তিৰ বাবে প্ৰস্তুতি চলোৱা আৰু উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীক পাঠ্যক্ৰম সম্পৰ্কে কিবা খুঁটিনাটি, প্ৰশ্নৰ সমাধান দিবলৈ প্ৰস্তুত হৈছে বুলি সদৰি কৰিছে। সবিশেষ জানিবলৈ ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে ৬০০২৪৩৪২১৪ নম্বৰত নাম পঞ্জীয়ন কৰিব পাৰে।

## অ'এনজিচিৰ দায়িত্বহীনতা বকতাত খেতিপথাৰত বিয়পিছে ৰাসায়নিক পদাৰ্থ মিশ্ৰিত পানী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকতা, ২১ জুলাই ঃ** শিৱসাগৰ জিলাৰ অ'এনজিচি এলৰ উত্তৰ-পৰীয়া তৈল ক্ষেত্ৰৰ বকতা বৰদেউধাই গাঁৱত থকা ই- ১৪০০-১৩ নম্বৰ তেলখাদ আৰু নিজখালৈঘোগুৱাৰ লাইপ্লেং গাঁৱত থকা এলপিডিএন-২০০৯ নম্বৰ তেলখাদ এই দুয়োটাতে বৰ্তমান খনন- উৎপাদন চলি আছে যদিও তেলখাদ কৰ্তৃপক্ষই অবিবেচকভাৱে খাদৰ অন্তৰ্ভাগৰ তেল আৰু ৰাসায়নিক পদাৰ্থমিশ্ৰিত পানী সমীপৰ খেতিপথাৰলৈ এৰি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। প্ৰাপ্ত অভিযোগ মতে, বকতা বৰদেউধাই গাঁৱত থকা উক্ত খাদটোৰ চৌপাশে গাঁওবাসীৰ খেতিপথাৰ অৱস্থিত যদিও অন্তৰ্ভাগৰ আৱদ্ধ ৰাসায়নিক পদাৰ্থমিশ্ৰিত পানীভাগ ইটিপিত নিষ্কাষণ নকৰি পোনেপোনেই খেতিপথাৰলৈ এৰি দিছে। ইয়াৰ ফলত তেল আৰু বিষাক্ত পদাৰ্থমিশ্ৰিত পানী বৰ্তমান শালি খেতিৰ বাবে প্ৰস্তুত কৰা পথাৰত মিহলি হৈ ভয়ানক প্ৰদূষণৰ সৃষ্টি কৰিছে। বৰ্তমান ধাৰাষাৰ বৰষুণৰ বাবে এনে প্ৰদূষিত পানী সমীপস্থ পথাৰৰ উপৰি খাল-পুখুৰী সকলোতে বিয়পি পৰিছে। আনহাতে, লাইপ্লেং গাঁৱত থকা খাদটোত অ'এনজিচি কৰ্তৃপক্ষই একেই পন্হা অৱলম্বন কৰাৰ অভিযোগ উঠিছে।অ'এনজিচি কৰ্তৃপক্ষই মানুহৰ জীৱনক লৈ হেতালি খেলা এনে অবিবেচক কাৰ্যক স্থানীয় ৰাইজৰ লগতে আটাছুৰ পাটসাঁকো আঞ্চলিক সমিতিয়ে তীব্ৰ প্ৰতিবাদ জনাইছে। আটাছুৰ চৰাইদেউ জিলাৰ সাংগঠনিক সম্পাদক অলস প্ৰতীম সন্দিকৈয়ে অ'এন জিচিৰ এনে কাৰ্য শীঘ্ৰেই বন্ধ কৰিবলৈ দাবী জনোৱাৰ উপৰি ক্ষতিগ্ৰস্ত কৃষক ৰাইজক উপযুক্ত ক্ষতিপূৰণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।


Greenlam

www.greenlamindustries.com

**GREENLAM INDUSTRIES LIMITED**

Registered Office: Makum Road, Tinsukia, Assam-786125, India

Corporate Office: 2nd Floor, West Wing, Worldmark 1, Aerocity, IGI Airport Hospitality District, New Delhi-110037, India

Phone No.: +91-11-4279-1399, Fax No.: +91-11-4279-1330, CIN: L21016AS2013PLC011624

Email: investor.relations@greenlam.com ; Website: www.greenlamindustries.com

**NOTICE**

Notice is hereby given pursuant to Regulation 29(1)(a) and other applicable Regulation of the SEBI (Listing Obligations and Disclosure Requirements) Regulations, 2015, that a meeting of the Board of Directors of Greenlam Industries Limited will be held on Tuesday, July 28, 2020, inter alia, to consider and approve the Un-audited Standalone and Consolidated Financial Results of the Company for the quarter ended June 30, 2020.

For further details, please visit the website of the Company 'www.greenlamindustries.com', website of the National Stock Exchange of India Limited 'www.nseindia.com' and website of BSE Limited 'www.bseindia.com'.

For Greenlam Industries Limited

Sd/-

Prakash Kumar Biswal

Company Secretary & Vice President-Legal

Date : July 21, 2020

Place : New Delhi

decowood Mikasa Mikasa


### হোজাই আৰু নগাৱৰ গ্ৰামোন্নয়নত দুৰ্নীতি

## নগাঁও গ্ৰামোন্নয়ন বিভাগত জবকাৰ্ড প্ৰিণ্টিঙৰ নামত ভয়ংকৰ কেলেংকাৰীৰ অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২১ জুলাই ঃ** কৰ'না ভাইৰাছৰ বিভিষীকাৰ মাজতে লকডাউনৰ সুযোগতে নগাঁও গ্ৰামোন্নয়ন বিভাগত জবকাৰ্ড প্ৰিণ্টিঙৰ নামত বৃহৎ দুৰ্নীতি হোৱা খবৰে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি নগাঁও গ্ৰামোন্নয়ন বিভাগৰ অন্তৰ্গত ৰ্বটা উন্নয়ন খণ্ডৰ বাবে প্ৰয়োজন হোৱা জবকাৰ্ডসমূহ প্ৰিন্টিঙৰ ব্যৱস্থা কৰা হয়। নিয়ম অনুসৰি এই জবকাৰ্ড সমূহ প্ৰকল্প সঞ্চালকৰ কাৰ্যালয়ে উন্নয়ন খণ্ড সমূহক যোগান ধৰে আৰু ইয়াৰ বাবে কাৰ্যালয়ে আগতীয়া জাননী দি নিবিদা সংগ্ৰহ কৰিব লাগে কিন্তু নগাঁও গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালক গৰাকীয়ে আগতীয়াকৈ জাননী অবিহনে আৰু নিবিদা সংগ্ৰহ নকৰাকৈ প্ৰকল্প বিষয়া দেবাশীষ বৈশ্যৰ অতি ঘনিষ্ঠ বুলি জাহিৰ কৰা জনৈক ৰাজখোৱা নামৰ ঠিকাদাৰ জনক কাম খিনিৰ দ্বায়িত্ব দিয়াৰ অভিযোগ উঠিছে। প্ৰকল্প বিষয়া গৰাকীয়ে নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ দ্বায়িত্বত থকাৰ লগতে নগাঁও গ্ৰামোন্নয়ন বিভাগৰ প্ৰকল্প সঞ্চালকৰ ভাৰপ্ৰাপ্ত সঞ্চালকৰ দ্বায়িত্বত থকাৰ সুবিধাৰ বাবেই প্ৰায় ১৫/২০ লাখ টকাৰ জবকাৰ্ড প্ৰিন্টিঙৰ নামত খেলিমেলিৰ অভিযোগ উত্থাপিত হৈছে। হয়তো কাগজে কলমে ঠিকেই প্ৰিন্টিং কৰা দেখুৱা হৈছে যদিও প্ৰকৃততে নিজৰ লাভালাভৰ বাবে পৰিমাণতকৈ কম প্ৰিন্টিং কৰাৰ সন্দেহ কৰিছে একাংশ সচেতন লোকে। জিলাখনৰ প্ৰায় ২৩ হাজাৰ দৰিদ্ৰ শ্ৰমিকে এম জি এনৰেগা কামৰ বাবে জবকাৰ্ডৰ জৰিয়তে কামৰ বাবে আবেদন কৰিছিল যদিও বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। নগাঁও আৰু হোজাই জিলাৰ ১৮টা কৈ উন্নয়ন খন্ডত চতুৰ্থ বিত্তীয় আয়োগৰ অধীনতো বিয়াগোম খেলি-মেলি চলাৰ লগতে জবকাৰ্ডৰ নামত বৃহৎ দুৰ্নীতি চলোৱাৰ অভিযোগ উঠিছে। এক উচ্চ পৰ্যায়ৰ তদন্ত মৰ্মে ব্যৱস্থা গ্ৰহণৰ অনুৰোধ জনাইছে একাংশ দল-সংগঠনৰ লগতে ৰাইজে।

## পানেৰী বিধানসভা সমষ্টিত কুলশী নৈৰ তাণ্ডৱ

### নিৰ্বিকাৰ জলসম্পদ বিভাগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২১ জুলাই ঃ** ওদালগুৰি জিলাৰ পানেৰী বিধানসভা সমষ্টিত এতিয়া কুলশী নৈৰ তাণ্ডৱে জ্বলা কলা খোৱাইছে জনসাধাৰণক। অলপতে সমগ্ৰ ৰাজ্যত বান পানীয়ে যি বিস্তৰ ক্ষতিসাধন কৰিলে তাৰে সমান্তৰাল ভাৱে ওদালগুৰি জিলাৰ পানেৰী সমষ্টিৰ অন্তৰ্গত চমুৱাপাৰা- হাহিনী গাৱত কুলচী নৈৰ খহনীয়াই বিস্তৰ ক্ষতিসাধন কৰে। বৰ্তমান প্ৰায় ৩৬ বিঘা মাটি কুলচীৰ বুকুত জাহ যোৱাৰ উপক্ৰম হয়। আনহাতে টংলাৰ সমীপৰ পশ্চিম নলবাৰী গাঁওতো নোনাই নদীয়ে খহনীয়া সৃষ্টি কৰি বহু লোকৰ ঘৰৰ ভেটি-মাটি নষ্ট কৰাৰ লগতে খেতি পথাৰ সৰ্বস্বান্ত কৰে। গৰাখহনীয়া ভাৰাক্ৰান্ত কৃষক সকলৰ এতিয়া এটাই আহ্বান অতি শীঘ্ৰেই পানেৰী বিধানসভা সমষ্টিৰ স্থাননীয় বিধায়ক কমলী বসুমতাৰী, বি টি চিৰ কাৰ্যবাহী সদস্য বনজাৰ দৈমাৰীৰ লগতে ওদালগুৰি জিলা উপযুক্তক শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে দাবী জনায়।


**SHORT SALE NOTICE**

Date : 16-07-2020

Under the provision of Assam Settlement of Coupes and Mahal Rules, 1977 (Amended 2000) tender affixing court fee stamp Rs. 8.25 (Rupees eight and paise twenty five) only is hereby invited from the intending tenderer for sale of the timber lots under North Kamrup Division, Rangia which shall be received on **17-08-2020** up to 3.00 PM (IST) in the office of the undersigned. In case the office remain closed on that day for any unforeseen or unavoidable reason, then tender will be received up to 3.00 PM (IST) on the next working day.

The details of the tender Form / Sale notice can be collected from the office of the undersigned during office hours in any working days on payment of Rs. 50/- (Rupees Fifty) only per sale notice and Rs. 5/- (Rupees five ) only per tender form which is not refundable.

Sd/-

Divisional Forest Officer

North Kamrup Division, Rangia

Janasanyog/C/2292/20


## সাংবাদিক ৰাজীৱ শৰ্মাৰ গ্ৰেপ্তাৰ, ধুবুৰী জিলাৰ মাননীয় বন বিষয়া বিশ্বজিৎ ৰায়ৰ এজাহাৰ আৰু অসম চৰকাৰৰ ভূমিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জৰুৱা বন্দিহানা, ২১ জুলাই ঃ** কেইদিন মানৰ আগতে ধুবুৰী জিলাৰ বন বিষয়া বিশ্বজিৎ ৰায়ৰ এজাহাৰৰ ভিত্তিত আমাৰ ধুবুৰীৰ সাংবাদিক ৰাজীৱ শৰ্মাক গ্ৰেপ্তাৰ কৰা হৈছিল লগে লগেই গোটেই ৰাজ্যত প্ৰতিবাদৰ সৃষ্টি হৈছিল আৰু ইয়াৰ বাবে ধুবুৰী জিলাৰ মাননীয় বন বিষয়া বিশ্বজিৎ ৰায় আৰু ধুবুৰী জিলাৰ মাননীয় আৰক্ষী অধীক্ষক যুৱৰাজ সিং ছাৰক শাস্তিমূলক বদলি কৰা হৈছিল কিন্তু ইমানতেই ৰাজীৱ শৰ্মাই ন্যায় পাইছে বুলি আপোনালোকে ভাৱে নেকি? ইয়াৰ আগতেও বন বিষয়া জনে এজন আছু নেতাৰ পৰা ৰ লাখ টকা দাবী কৰা ঘটনাই সমগ্ৰ বাতৰি কাকতত প্ৰকাশ পাইছিল কিন্তু তেতিয়াও কোনোধৰণৰ উচিত শাস্তি পোৱা পৰিলক্ষিত হোৱা নাই কিন্তু এই ঘটনা এজন সাধাৰণ মানুহৰ দ্বাৰা হ'লে শাস্তি নোপোৱাকৈ ওলাই যাব পাৰিলেহেঁতেন নেকি? ডাঙৰ মানুহৰ আইন আৰু সাধাৰণ মানুহৰ আইন বেলেগ বেলেগ নেকি? যেতিয়ালৈকে এই ডাঙৰ মানুহ বিলাকৰ বিৰুদ্ধে অসম চৰকাৰে কঠোৰ ব্যৱস্থা নল'ব, তেতিয়ালৈকে এনে ঘটনা বন্ধ হোৱাৰ আশা বহুত কম বুলি বিভিন্নজনে মত প্ৰকাশ কৰে সামাজিক মাধ্যমত। লগতে সাংবাদিক সন্থা আৰু বিভিন্ন দল-সংগঠনক অনুৰোধ জনায় যে যেতিয়ালৈকে ৰাজীৱ শৰ্মাই ন্যায় নাপায় তেতিয়ালৈকে আপোনালোকৰ প্ৰতিবাদ আৰু কণ্ঠ বন্ধ হ'বলৈ নিদিব বুলি একাংশ সচেতন ৰাইজে আহ্বান জনায়।


GNRC Quality • Value • Trust

স্বাস্থ্য-বাৰ্তা

1800-345-0011 (টল ফ্ৰী)

জিএনআৰচি হাস্পতাললৈ বিনামূলীয়া এম্বুলেঞ্চ সেৱা

For any Medical Emergency

Trust GNRC

Free Ambulance to GNRC

1800-345-0011 (Toll Free)


## বটদ্ৰৱাৰ দলংঘাটত লাভ জেহাদৰ ঘটনা ভুৱা পৰিচয়েৰে হিন্দু যুৱতীক পলুৱাই নি হত্যা

### কঠোৰৰ পৰা কঠোৰতম শাস্তিৰ দাবী দল-সংগঠনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২১ জুলাই ঃ** বটদ্ৰৱা সমষ্টিৰ দলংঘাট বেলতল বড়িগাঁৱৰ এগৰাকী যুৱতী লাভ জেহাদৰ বলি হৈ অৱশেষত কৰুণ মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱা ঘটনাই সমগ্ৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জাজৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ দ্বাদশ শ্ৰেণীত অধ্যয়নৰত মেধাৱী তথা প্ৰতিভাৱান যুৱতী গৰাকীক এজন মুছলমান যুৱকে, নিজকে হিন্দু যুৱকৰ পৰিচয় দি পলুৱাই নিয়াৰ চাৰি মাহৰ পাছত হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰে। এই যুৱতী গৰাকী বড়িগাঁৱৰ দিন হাজিৰা কৰা বুবুল নাথ নামৰ এগৰাকী দৰিদ্ৰ লোকৰ একমাত্ৰ কন্যা নাম প্ৰনামী দেৱী। মাত্ৰ তিনি বছৰ বয়সতে নিজ মাতৃক হেৰুওৱা প্ৰনামী দেৱীক অতি কষ্টৰে বুবুল নাথে বুকুৰ মাজত ডাঙৰ দীঘল কৰি সপোন ৰচিছিল। কিন্তু দুৰ্ভগীয়া পৰিয়ালটোলৈ অমানিশা নমাই আনিলে জাজৰি মুছলমান গাঁৱৰ আমোলাপট্টি এজন যুৱকে। জাজৰি মুছলমান গাঁৱৰ মুহিৰ উদ্দিন শ্বেখ উৰফে ৰিহান নামৰ যুৱকজনে ভুৱা পৰিচয়েৰে প্ৰথমে ছ'চিয়েল নেটৱৰ্কিং ছাইটৰ যোগেদি প্ৰেমৰ প্ৰস্তাৱ দিলে যুৱতীগৰাকীক। লাহে লাহে প্ৰেম গভীৰ হৈ অৱশেষত দুষ্ট ৰিহানে ছলনা কৰি চলিত বৰ্ষৰ ৫ মাৰ্চত দেউতাকৰ অনুপস্থিতিত নিজ ঘৰৰ পৰাই প্ৰনামীক পলুৱাই নিয়ে আৰু পৰৱৰ্তী সময়ত প্ৰনামীৰ পিতৃ তথা পৰিয়ালৰ সদস্যই গম নেপোৱাকৈ কৰ্ট মেৰেজ কৰে। নিজৰ স্বাৰ্থ সিদ্ধিৰ পাছত আচল পৰিচয় ওলাই পৰিল মুহিৰ উদ্দিন শ্বেখ উৰফে ৰিহানৰ। প্ৰনামীৰ উপৰত আৰম্ভ হ'ল শাৰীৰিক আৰু মানসিক নিৰ্যাতন। এইদৰে অমানুসিক নিৰ্যাতন সন্মুখীন হৈ অৱশেষত প্ৰনামীয়ে সম্বন্ধীয় ককায়েকক ফোন যোগে অৱগত কৰিলে। কিন্তু দুখীয়া অসহায় পিতৃয়ে সমাজে বান্ধি দিয়া নিয়ম নেওচি নিজ কন্যাৰ গৃহলৈ যাব নোৱাৰি অসহায় হৈ পৰিল। অৱশেষত অত্যাচাৰৰ চূড়ান্ত পৰ্যায়ত উপনীত হৈ যোৱা ১৭ জুলাইত মুহিৰ উদ্দিন শ্বেখে প্ৰনামীক হত্যা কৰে। এই খবৰ পাই মৃত প্ৰনামীৰ পিতৃ আৰু পৰিয়ালৰ লোকে ঘটনা সন্দৰ্ভত ন্যায় বিচাৰি মিকিৰভেটা থানাত এজাহাৰ দাখিল কৰে। আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধি আইনৰ ৩০৬ আই পি চি, ২৮২/২০ নম্বৰত এটি গোচৰ ৰুজু কৰি মুহিৰ উদ্দিন শ্বেখক গ্ৰেপ্তাৰ কৰি জেল-হাজোতলৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, প্ৰনামীৰ পৰিয়ালৰ লোকে মুহিৰ উদ্দিন শ্বেখে নিজ পৰিয়ালৰ সহযোগত প্ৰনামীক পৰিকল্পিতভাৱে হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা কৰিছিল বুলি অভিযোগ কৰিছে। প্ৰনামীৰ সম্বন্ধীয় ককায়েকৰ পৰা জানিব পৰা মতে নৃত্য গীতত পাৰ্গত প্ৰতিভাৱান প্ৰনামীক অতি কৌশলেৰে প্ৰেমৰ জালত পেলাই, অৱশেষত নিজৰ স্বাৰ্থ সিদ্ধিৰ পাছত অমানুসিক নিৰ্য্যাতন চলাইছিল ৰিহানৰ পৰিয়ালে। মৃত্যুৰ তিনিদিন পূৰ্বৰ পৰা খোৱা বোৱা পৰ্যন্ত বন্ধ কৰি অৱশেষত ডিঙি চেপি চেপি হত্যা কৰে প্ৰনামীক। প্ৰনামীৰ পিতৃ, পৰিয়ালৰ লোক তথা স্থানীয় ৰাইজ, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ নগাঁও জিলা সমিতি, হাতীচোং আঞ্চলিক ছাত্ৰ সন্থা, নগাঁও জিলা হিন্দু যুৱ-ছাত্ৰ, অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদ, সংযুক্ত গণতান্ত্ৰিক ছাত্ৰ মৰ্চা আদিকৰি কেইবাটাও দল-সংগঠন আৰু ব্যক্তিবিশেষে উক্ত ঘটনাৰ উচিত তদন্ত বিচাৰি মুহিৰ উদ্দিন শ্বেখক কঠোৰৰ পৰা কঠোৰতম শাস্তি প্ৰদানৰ দাবী তুলিছে।